**REGIONAL NEWS UNIT**

**AKASHVANI GUWAHATI**

**Date : 17-09-2025** **Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ ২০২৫** শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই গুৱাহাটী বশিষ্ঠ মন্দিৰ প্ৰাংগণত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। স্বচ্ছ ভাৰত অভিযান গ্ৰামীণ আৰু স্বচ্ছ ভাৰত অভিযান নগৰৰ সহযোগত গুৱাহাটী পৌৰ নিগমে এই অনুষ্ঠানৰ আয়োজন কৰে। শ্ৰীমল্লবৰুৱাই কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি আহিছে। সেয়েহে প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰতিবছৰে স্বচ্ছতাই সেৱা কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে ৰাজ্যসমূহক আহ্বান জনায়। এই কাৰ্যসূচীয়ে ৰাজ্যখনত বহনক্ষম স্বচ্ছতাৰ পৰিৱেশ সৃষ্টিত অৰিহণা যোগাব বুলি তেওঁ লগতে উল্লেখ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সমগ্ৰ দেশতে সুস্থ নাৰী, সবল পৰিয়াল শীৰ্ষক বিশেষ অভিযান শুভাৰম্ভ কৰে। মহিলাৰ স্বাস্থ্য, মৰ্যাদা আৰু সবলীকৰণ সুনিশ্চিত কৰাৰ লক্ষ্যৰে সেৱা সপ্তাহৰ অংশ হিচাপে এই অভিযান আৰম্ভ কৰা হৈছে।

অসম চৰকাৰেও এই অভিযানৰ জৰিয়তে মহিলাৰ স্বাস্থ্যত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন ঠাইত ৪ হাজাৰ ২৯৭ টা স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হৈছে। অহা ২ অক্টোবৰলৈ ৰাজ্যখনত ১৪ হাজাৰ ৬৯০টা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

**বাইট ঃ মুখ্যমন্ত্ৰী**

ইপিনে, সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যজুৰি ৭৫ টা ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। এই পদক্ষেপে সমাজ সেৱাৰ জৰিয়তে এখন শক্তিশালী সমাজ গঢ়াত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কাৰ্বি আংলং জিলাৰ বোকাজান সমুহীয়া স্বাস্থ্য কেন্দ্ৰত আয়োজিত ৰক্তদান শিবিৰত প্ৰায় ২৩ গৰাকী ব্যক্তিয়ে আজি স্বেচ্ছাই ৰক্তদান কৰে। ধেমাজিৰ চিচিবৰগাওঁ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আয়োজিত ৰক্তদান শিবিৰত লক্ষিমপুৰৰ সাংসদ প্ৰদান বৰুৱাই ৰক্তদান কৰে।

০০০

সেৱা পৰ্ব উপলক্ষে আকাশবাণী গুৱাহাটীয়ে প্ৰচাৰ কৰি থকা অনুষ্ঠানলানিৰ অংশ হিচাপে কাইলৈ বিয়লি ৩ বাজি ২ মিনিটত অৰ্থনৈতিক সংস্কাৰৰ জৰিয়তে প্ৰশাসনীয় প্ৰগতি বিষয়ক এটা আলোচনা প্ৰচাৰ কৰা

হ'ব। এই অনুষ্ঠানত বিশিষ্ট অৰ্থনীতিবিদ দেৱজিৎ মহন্তৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে। বিটিআৰৰ অন্তৰ্গত কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাত বিজেপিৰ লগতে ইউ পি পি এল, বিৰোধী দল কংগ্ৰেছ, বি পি এফ, অসম গণ পৰিষদে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা আৰু যমদুৱাৰত বিজেপিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

চিৰাং জিলাৰ কাজলগাওঁ পৰিষদীয় সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী পানীৰাম ব্ৰহ্মৰ সমৰ্থনত আজি বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে  প্ৰচাৰ চলায়। এইবাৰৰ নিৰ্বাচনত বি পি এফ দল জয়ী হ'লে জনসাধাৰণক ভূমিপট্টা প্ৰদান, নিবনুৱা সমস্যা দূৰীকৰণকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণ কৰা হ'ব বুলি শ্ৰীমহিলাৰীয়ে প্ৰকাশ কৰে। বাক্সা জিলাৰ ভলুকামুৰীত ইউ পি পি এলৰ মুৰববী প্ৰমোদ বড়োৱে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ লগতে মদাহী জনগোষ্ঠীৰ লোকসকলৰ সৈতেও মত বিনিময় কৰে।

নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে তামুলপুৰ জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। বৰনগৰৰ তামুলপুৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত আজি গয়বাৰী আৰু গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ পোলিং আৰু প্ৰিজাইডিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০

ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি শ্ৰীদাসে শীঘ্ৰে ছিউলত ভাৰতীয় ৰাষ্ট্ৰদূত ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

১৯৯৯ চনৰ ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া অসম সন্তান গৌৰাংগ লাল দাসে ইয়াৰ আগতে কেইবাখনো বিদেশী ৰাষ্ট্ৰত কূটনীতিবিদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চীনা আৰু কম্বোডিয়ান ভাষাকে ধৰি কেইবাটাও বিদেশী ভাষাত ব্যুৎপত্তি থকা গৌৰাংগ লাল দাসে যোৱা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিন পিনৰ মাজৰ শীৰ্ষ বৈঠকত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০

গোলাঘাটৰ দেৰগাঁৱৰ কুমাৰগাঁৱত পোহনীয়া হাতীৰ আক্ৰমনত আজি এজন লোকৰ মৃত্যু হোৱাৰ লগতে মাউতসহ দুজন লোক আহত হয়। আহত এজনক সংকটজনক অৱস্থাত যোৰহাট অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। হাতীৰ আক্ৰমণত মৃত্যু হোৱা লোকজন দেৰগাঁৱৰ মলাইকুমাৰ গাঁৱৰ কেশৱ বৰা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০

সমাপ্ত